# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
-------------------

১।	বিপিএফ দলৰ বিধায়ক চৰণ বড়োৰ ৰাজ্যৰ নতুন মন্ত্ৰীৰূপে শপত গ্ৰহণ।

২।	আজি কাতি বিহু। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কৃষিজীৱি ৰাইজৰ কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা।

৩।	বাক্সা জিলাৰ নিকাছিৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত আৰু ৫ জনক গ্ৰেপ্তাৰ। ঘটনাত ধৃত লোকৰ সংখ্যা ৯ লৈ বৃদ্ধি।

৪।	নগাঁও জিলাৰ ৰহাত আজি ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস উপলক্ষে কৃষক ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি।

৫।	ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ অনুকৰণত অনাগত ছিজনৰ পৰা অসম প্ৰিমিয়াৰ লীগ অনুষ্ঠিত হ'ব বুলি বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াৰ প্ৰকাশ। ***আৰু***

৬।	বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত একক ছোৱালী শাখাত ভাৰতৰ তনভী শৰ্মা ফাইনেলত প্ৰৱেশ।

০০০০

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। আজি দিনৰ এঘাৰ বজাত গুৱাহাটীৰ ৰাজভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি পি এফ দলৰ চৰণ বড়োক মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এন ডি এ বিকশিত অসমৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। বড়োভূমিৰ শান্তি, প্ৰগতি আৰু সমাজৰ সকলো শ্ৰেণীৰ সমন্বয়ৰ বাবে সকলোৱে লগলাগি চেষ্টা চলাই যাব। তাৰ বাবে অতি সোনকালে বিটিচিৰ পাৰিষদসকলৰ সৈতে ৰাজ্য চৰকাৰৰ বৈঠক হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পাছত দলটো শাসনাধিস্থিত এন ডি এ মৰ্চাত যোগ দিয়া সন্দৰ্ভত প্ৰচুৰ সম্ভাৱনাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী বিধানসভা নিৰ্বাচনলৈ ছমাহতকৈ কম সময় বাকী থকা অৱস্থাত অসম মন্ত্ৰীসভাৰ আজিৰ এই সম্প্ৰসাৰণ ৰাজনৈতিকভাৱে বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০

আজি কাতি বিহু। অসমৰ কৃষিজীৱি ৰাইজে আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি কাতি বিহু পৰম্পৰাগত ৰীতি নীতিৰে পালন কৰা হৈছে। এই উপলক্ষে চোতালত তুলসী ৰুই তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে পথাৰত বন্তি জ্বলাই বছৰটোৰ বাবে শইচ নদন বদন হোৱাৰ কামনা কৰা হৈছে। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলোৱা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননি ডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী, কৃষি সঁজুলি আদিও বিতৰণ কৰা হয়।

**চৰাইদেউ** জিলাৰ বিভিন্ন প্ৰান্তত কাতি বিহুৰ পৰম্পৰা ৰক্ষা কৰি পালন কৰা হৈছে। অসমীয়াৰ বাপতি সাহোন ৩ টা বিহুৰ অন্যতম কাতি বিহুৱে কৃষিজীৱি ৰাইজৰ জীৱনধাৰাক প্ৰতিফলিত কৰে। জিলাখনৰ মথুৰাপুৰত গাওঁবাসীয়ে চোতালত তুলসী ভেটি গঢ়ি তুলসী তলত বন্তি জ্বলাই পবিত্ৰতাৰে বিহু পালন কৰিছে। **বিশ্বনাথ** জিলাতো কৃষিভিত্তিক জীৱন আৰু বিশ্বাসৰ প্ৰতিফলন ঘটাই কাতি বিহু পালন কৰা হৈছে। এই উপলক্ষে পথাৰত বন্তি জ্বলাই শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰা হৈছে। জিলা কৃষি বিভাগৰ উদ্যোগত আৰু নিজ বিহালী বৰনামঘৰৰ ৰাইজৰ সহযোগত আজি বিহু পালন কৰা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী ফছল বীমা যোজনাৰ সুবিধা প্ৰদান কৰাৰ লগতে ৩ গৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। **মাজুলী** জিলাতো কাতি বিহু পালন কৰা হৈছে। জিলাখনৰ ৩৭২ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি আউনিআঁটি সত্ৰত ২১ জোৰা আকাশবন্তি প্ৰজ্বলন কৰা হৈছে। বিগত কিছুদিন ধৰি জিলাখনৰ মৃৎ শিল্পীসকলে মাটিৰ চাকি প্ৰস্তুত কৰি বিহুৰ বাবে সাজু কৰি তোলে। **ধেমাজী** জিলাতো কৃষক ৰাইজে পৰম্পৰা বৰ্তাই ৰাখি কাতি বিহু পালন কৰিছে। এই সন্দৰ্ভত এয়া ধেমাজীৰ পৰা আমাৰ সংবাদদাতা **হৰেন্দ্ৰ নাথ শৰ্মা ঃ বাইট**

**হোজাই** জিলা কৃষি বিভাগৰ উদ্যোগত আজি জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত কাতি বিহু পালন কৰা হয়। আজি আবেলি এখন সভা অনুষ্ঠিত কৰি কৃষি কাৰ্যৰ বাবে সুবিধা হোৱাকৈ চৰকাৰে ৰূপায়ণ কৰা আঁচনি সন্দৰ্ভত জনসাধাৰণক সজাগ কৰা হয়। ইয়াৰ লগতে পৰম্পৰাগত ৰীতি অনুসৰি তুলসী তলত চাকি আৰু আকাশবান্তি জ্বলোৱা হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালন কৰা হৈছে। **গোৱালপাৰা** জিলাতো কৃষকসকলে শস্য নদন বদন হোৱাৰ কামনাৰে পথাৰত বন্তি জ্বলাইছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ে জিলাখনৰ আগিয়াৰ বাপুপাৰা গাওঁত কাতি বিহু পালনৰ লগতে বিভাগীয় আঁচনি সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰিছে। **বাক্সা** জিলাত আজি কৃষক ৰাইজে নিজৰ ঘৰৰ চোতালত আৰু খেতি পথাৰত চাকি আৰু নৈবদ্য আগবঢ়াই শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাতো কাতি বিহু উপলক্ষে কৃষিজীৱি ৰাইজে পৰম্পৰা পালন কৰে। একেদৰে কৃষি বিভাগৰ উদ্যোগত ধানুৱা গাওঁ পঞ্চায়তত বিহুৰ কাৰ্যসূচী লোৱা হয়। **ধুবুৰী** জিলাত অসমৰ জাতীয় সংস্কৃতি তথা লোক পৰম্পৰা বৰ্তাই ৰাখি কাতি বিহু পালন কৰা হৈছে। এই উপলক্ষে চোতালৰ

তুলসী ভেটিৰ তলত, গোহালী ঘৰ, ভড়াল ঘৰ, তামোল-নাৰিকলৰ তলত আৰু পদুলীত চাকি দি লখিমী আদৰা হৈছে। **কোকৰাঝাৰ** জিলাতো আজি কাতি বিহু উপলক্ষে পবিত্ৰ পৰিবেশে বিৰাজ কৰিছে। ঘৰে ঘৰে বন্তি জ্বলাই নৈবদ্য আগবঢ়াই বিহু পালন কৰা হৈছে।

০০০০

বাক্সা জিলাৰ নিকাছিৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত আৰু ৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে। এই ৫ জনৰ সৈতে এতিয়ালৈ ৯ জনক গ্ৰেপ্তাৰ কৰা হৈছে। বাক্সা জিলাৰ আৰক্ষী অধীক্ষকে এই বিষয়ে সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গৰ অনুৰাগী বুলি সুযোগ লৈ যিটো দুষ্টচক্ৰই হিংসাত্মক ঘটনা সংঘটিত কৰিলে সেই চক্ৰটোৰ আটাইকে এজন এজনকৈ চিনাক্ত কৰা হৈছে আৰু অতিশীঘ্ৰেই বাকী থকা কেইজনকো গ্ৰেপ্তাৰ কৰা হ'ব। এই ক্ষেত্ৰত স্থানীয় লোকেও আৰক্ষীক সহায় কৰিছে। আৰক্ষীৰ বাহনত অগ্নিসংযোগ তথা শিল দলিওৱাৰ অভিযোগত বাক্সা আৰক্ষী গ্ৰেপ্তাৰ কৰা লোককেইজন হ'ল- ৰাচিম আলী, চাৰুক আলী, নৰৰাজ গৌতম, বিদ্যুৎ চেত্ৰী, নচিবুৰ ৰহমান, কাদেৰ আলী, ৰমিজ আলী, আহেলো মিঞা আৰু ছুলেমন আলী। গ্ৰেপ্তাৰ কৰা লোককেইজনৰ মাজত পূৰ্বৰ দাগী অপৰাধীও আছে বুলি বাক্সা জিলাৰ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

**বাইট (আৰক্ষী অধীক্ষক)**

০০০০

আজি ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস। নগাঁও জিলাৰ ৰহাৰ ফুলগুৰি ধেৱা স্মৃতি ৰক্ষা সমিতিৰ সহযোগত আজি কেইবাটাও কাৰ্যসূচীৰে ১৬৪ সংখ্যক ঐতিহাসিক ফুলগুৰি ধেৱা দিৱস পালন কৰা হয়। ধেৱা উদযাপন সমিতিৰ সভাপতি প্ৰবীন হাজৰিকাই পুৰা কৰা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ফুলগুৰি ধেৱা স্মৃতি সৌধত বন্তি প্ৰজ্বলন কৰে। মন্ত্ৰীগৰাকীয়ে ফুলগুৰি ধেৱা ব্ৰিটিছ শাসনৰ এক কৰুণ কাহিনী বুলি মন্তব্য কৰে। একেটা অনুষ্ঠানতে অংশগ্ৰহণ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয়, যে ফুলগুৰিৰ ধেৱাত ইংৰাজৰ গুলীত মৃত্যু হোৱা লোকসকলক গোপনে সৎকাৰ কৰা মানুহ পোৰা বিল হিচাপে খ্যাত অঞ্চলটো অবৈধ দখলকাৰীৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ভূমি দখলমুক্ত কৰি ফুলগুৰি ধেৱাৰ নামত পঞ্জীয়ন কৰা হ'ব বুলি প্ৰকাশ কৰে। ৰহাৰ বিধায়ক শশীকান্ত দাসে মানুহ পোৰা বিলতো এটা স্মৃতিসৌধ নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে ব্ৰিটিছ শাসনত অন্যায় কৰ নীতিৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম কৃষক বিদ্ৰোহ এই ফুলগুৰিৰ ধেৱা। ১৮৬১ চনৰ ১৮ অক্টোবৰত ফুলগুৰিত ৰাইজমেলৰ জৰিয়তে ইংৰাজৰ শোষণ নিষ্পেষণৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ গৈ বহু কৃষকে ব্ৰিটিছৰ গুলীত প্ৰাণ আহুতি দিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে ফুলগুৰি ধেৱা কৃষকৰ আত্মবলিদানৰ কাহিনী সুঁৱৰি ছহিদসকললৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

০০০০

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী অহা ৫ নৱেম্বৰত ৰাজ্যজুৰি পালনৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্তসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত মিলিত হয়। বৈঠকত সকলো জিলাতে এই অনুষ্ঠান সমন্বিতভাৱে আৰু মৰ্যদা সহকাৰে পালন কৰা সন্দৰ্ভত আলোচনা কৰা

হয়। সেইদিনা বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ কালজয়ী গীত মানুহে মানুহৰ বাবে হাজাৰ হাজাৰ লোকে একত্ৰিত হৈ পৰিবেশন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

কাছাৰ জিলাৰ কালাইনত পুনৰ ১৮ জন ৰোহিংগীয়া নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত লোকসকলৰ ভিতৰত মহিলা আৰু শিশু আছে। কালি স্থানীয় ৰাইজে এই লোকসকলক আটক কৰি আৰক্ষীক গটাই দিয়ে। আৰক্ষীৰ জেৰাত এই লোকসকলে ম্যানমাৰৰ বাসিন্দা আৰু দীৰ্ঘদিন ধৰি অবৈধভাৱে ভাৰতত বাস কৰি অহাৰ কথা স্বীকাৰ কৰে। হায়দৰাবাদৰ পৰা মধ্যভোগীৰ জৰিয়তে কালাইনলৈ অহা লোকসকলে বাংলাদেশলৈ যোৱাৰ চেষ্টা কৰিছিল যদিও সীমান্ত পাৰ হোৱাৰ আগতে তেওঁলোকক আটক কৰা হয়। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান, যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ যথাসময়ত প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব। আজিৰ বাতৰিত আমি যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰা অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাই পঢ়া বাতৰিৰ কিছু অংশ প্ৰচাৰ কৰিবলৈ লৈছো। ***(বাইট ঃ )***

০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ অনুকৰণত অসম ক্ৰিকেট সন্থাৰ উদ্যোগত ৰাজ্যতো অনাগত ছিজনৰ পৰা অসম প্ৰিমিয়াৰ লীগ অনুষ্ঠিত হ'ব। বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়া আজি বৰপেটাত এই কথা প্ৰকাশ কৰিছে। অসম ক্ৰিকেট সন্থাই বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাৰ বাৰাদিত নিৰ্মাণ কৰি থকা ক্ৰিকেট একাডেমীত আয়োজন কৰা এটা সম্বৰ্ধনা অনুষ্ঠানত ভাগ লৈ দেৱজিৎ শইকীয়াই ভাৰতৰ ক্ৰিকেটৰ ক্ষেত্ৰখনৰ বাবে বিচিচিআইৰ বহু পৰিকল্পনা আছে বুলি প্ৰকাশ কৰে। শইকীয়াই লগতে কয়, যে বৰপেটাত নিৰ্মীয়মান ছেটেলাইট ক্ৰিকেট এডাডেমীখন দুমাহৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব। একাডেমীখন সম্পূৰ্ণ হৈ উঠিলে

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ বিভিন্ন খেল আয়োজন কৰা হ'ব বুলিও শইকীয়াই কয়। বৰপেটাক ক্ৰিকেটৰ ক্ষেত্ৰখনত আগশাৰীৰ জিলা হিচাপে অভিহিত কৰি জিলাখনৰ খেলুৱৈসকলক ধাৰাবাহিকতা অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়।

০০০০

আমিনগাঁৱত চলি থকা বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি ত্ৰয়োদশ দিনত একক ছোৱালী শাখাৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতৰ তনভী শৰ্মাই জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তনভী শৰ্মাই চীনৰ লিউ ছি য়াক ১৫-১১, ১৫-৯ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰা তনভী শৰ্মা হৈছে পঞ্চমগৰাকী ভাৰতীয় শ্বাটলাৰ। ইয়াৰ পূৰ্বে ভাৰতৰ অপৰ্ণা প'পাটে ১৯৯৬ত, ২০০৬ আৰু ২০০৮ত চাইনা নেহৱাল, ২০১৫ চনত ছিৰিল বাৰ্মা আৰু ২০২২ চনত শংকৰ মুথুস্বামীয়ে বিশ্ব জুনিয়ৰ বেডমিণ্টনৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ১৬ বছৰীয়া তনভী শৰ্মাই কাইলৈ থাইলেণ্ডৰ শ্বাটলাৰৰ সন্মুখীন হ'ব।

০০০০

আই চি চি মহিলা বিশ্বকাপ প্ৰতিযোগিতাত আজি নিউজিলেণ্ড পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। বৰষুণৰ বাবে ৫০ অভাৰৰ খেলখন ৪৬ অভাৰলৈ হ্ৰাস কৰা হৈছে। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে পাকিস্তানে ৫ টা উইকেট হেৰুৱাই ২৫ অভাৰত ৯২ ৰান কৰি খেলি আছে।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° শিৱনাথ শৰ্মাৰ দীৰ্ঘদিন অসুস্থতাৰ পাছত কালি নতুন দিল্লীত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ